# যোৰহাটত নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ গ্ৰহণত প্ৰশাসনৰ শিথিলতা ঃ যুৱ-ছাত্ৰৰ উদ্বেগ

## সন্দেহজনক নাগৰিকৰ নাম অন্তৰ্ভুক্তিৰ আশংকা

অগ্ৰদূত বাৰ্তা

যোৰহাট, ১৮ আগষ্ট ঃ খিলঞ্জীয়া অসমীয়াৰ সুৰক্ষাৰ স্বাৰ্থত উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ হস্তক্ষেপত উন্নীতকৰণ চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে প্ৰ-পত্ৰ জমা দিয়াৰ অন্তিম দিনলৈ কেইটামান দিন বাকী থকা অৱস্থাত হঠাৎ জিলা প্ৰশাসনে প্ৰয়োজনীয় নথি-পত্ৰৰ ক্ষেত্ৰত শিথিলতা প্ৰদৰ্শন কৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, যোৰহাট জিলা সমিতিয়ে। কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত সমিতিৰ সভাপতি ৰিতুল পাঠক আৰু সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই কয় যে উন্নীতকৰণ চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে প্ৰয়োজনীয় প্ৰ-পত্ৰৰ লগতে নথি-পত্ৰ নিৰ্দিষ্ট কৰি দিয়া হৈছিল আৰু সেইমতেই সমগ্ৰ অসমৰ লগতে যোৰহাট জিলাতো জনসাধাৰণে নিৰ্দিষ্ট কৰি দিয়া নথিৰ স'তে প্ৰ-পত্ৰ জমা দি আহিছিল। কিন্তু প্ৰ-পত্ৰ জমা দিয়াৰ অন্তিম তাৰিখলৈ মাত্ৰ কেইদিনমান বাকী থকা অৱস্থাত অসমৰ অন্যান্য কিছু জিলাৰ তুলনাত যোৰহাট জিলাত প্ৰ-পত্ৰ জমা হোৱাৰ সংখ্যা যথেষ্ট কম হোৱাত যোৰহাট জিলা প্ৰশাসনৰ তৰফৰ পৰা এন আৰ চিৰ প্ৰ-পত্ৰৰ লগত জমা দিবলগীয়া নথি-পত্ৰৰ ক্ষেত্ৰত শিথিলতা প্ৰদৰ্শন কৰা দেখা পোৱা গৈছে। আনকি একমাত্ৰ জমা হোৱা প্ৰ-পত্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈকে লিগেচী দাতা, সমৰ্থনমূলক নথি-পত্ৰ একো নোহোৱাকৈয়ে প্ৰ-পত্ৰ জমা লোৱা হ'ব বুলি জিলা প্ৰশাসনৰ হৈ একাংশ কৰ্মচাৰীয়ে ঘোষণা কৰাই নহয় তেনেদৰেই কোনো কোনো ব্যক্তিৰ প্ৰ-পত্ৰ জমা লোৱাত যুৱ-ছাত্ৰ পৰিষদৰ মিঠাপুখুৰীস্থ সহায়ক কেন্দ্ৰত নথি-পত্ৰবিহীন যথেষ্টসংখ্যক সন্দেহজনক ব্যক্তিয়ে ভিৰ কৰা পৰিলক্ষিত হৈছে। সেয়েহে অসমীয়া জাতিৰ অস্তিত্ব তথা ভৱিষ্যতৰ প্ৰশ্ন জড়িত হৈ থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত যাতে কোনো সন্দেহজনক ব্যক্তিয়ে নাম অন্তৰ্ভুক্ত কৰিব নোৱাৰে তাৰ বাবে সতৰ্ক কৰি দি নথি-পত্ৰসহহে প্ৰ-পত্ৰ জমা ল'বলৈ যুৱ-ছাত্ৰ পৰিষদ, যোৰহাট জিলা সমিতিয়ে জিলা প্ৰশাসনক দাবী জনাইছে।

# তেজপুৰত ৯৯ শতাংশই জমা দিলে এন আৰ চিৰ প্ৰ-পত্ৰ

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ১৮ আগষ্ট ঃ শোণিতপুৰত এন আৰ চি উন্নীতকৰণৰ প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া উৎসাহজনকভাৱেই আগবাঢ়িছে। তেজপুৰ ৰাজহচক্ৰত এই পৰ্যন্ত ৯৯ শতাংশ লোকে প্ৰ-পত্ৰ জমা দিছে। একেদৰে গহপুৰ, হেলেম, নদুৱাৰ, ঢেকিয়াজুলি, চাৰিদুৱাৰ ৰাজহ চক্ৰত ৯২ শতাংশ আৰু বিশ্বনাথ ৰাজহ চক্ৰত ৮০ শতাংশ লোকে প্ৰ-পত্ৰ পূৰণ কৰিছে। আনহাতে, বিশ্বনাথৰ কুমলীয়া আৰু বিশ্বনাথঘাট সেৱাকেন্দ্ৰত এশ শতাংশ লোকে এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ কাম সম্পূৰ্ণ কৰিছে। আজি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত নিৰ্ধাৰিত অন্তিম তাৰিখ ৩১ আগষ্টৰ ভিতৰত শোণিতপুৰত যাতে এশ শতাংশ কাম সম্পূৰ্ণ হয় তাৰ বাবে ৰাজহুৱা আহ্বান জনালে আছুৰ উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই। ভট্টাচাৰ্যই কয় যে শোণিতপুৰত প্ৰ-পত্ৰ জমা দিয়া সন্দৰ্ভত যি তথ্য প্ৰকাশ পাইছে তাৰ বিপৰীতে জিলাখনত প্ৰ-পত্ৰ পূৰণ আৰু জমাৰ কাম ইতিবাচক আৰু উৎসাহৰে অব্যাহত আছে। প্ৰকৃততে প্ৰ-পত্ৰ জমা হোৱা সন্দৰ্ভত সম্পূৰ্ণ তথ্য প্ৰকাশ হোৱা নাই শোণিতপুৰৰ। উল্লেখ্য যে তেজপুৰস্থিত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নত এক সংবাদমেলত অংশ লৈ আছুৰ উপদেষ্টাজনে কয় যে এন আৰ চি হৈছে ৰাজ্যৰ সকলো থলুৱা আৰু খিলঞ্জীয়াৰ ৰক্ষা কবচ আৰু সেয়েহে এই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন হোৱাতো প্ৰয়োজন। অবিভক্ত দৰং আৰু শোণিতপুৰ তথা তেজপুৰে ৰাজ্যক বিভিন্ন ক্ষেত্ৰত নেতৃত্ব বহন কৰি অহাৰ কথা উল্লেখ কৰি ভট্টাচাৰ্যই কয় যে শোণিতপুৰত অতি শীঘ্ৰেই প্ৰ-পত্ৰ জমা দিয়াৰ কাম অন্ত পৰিব। ৰাইজক প্ৰতিখন স্থানৰে বিভিন্ন দল-সংগঠন আৰু স্থানীয় সংস্থাৰ সহযোগত আছু নেতা-কৰ্মীসকলক সক্ৰিয়ভাৱে এন আৰ চি প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়াত সহায় কৰিব বুলিও মন্তব্য কৰে। অসম চুক্তিৰ আধাৰত ১৯৭১ৰ পাছত অহা সকলো অবৈধ বাংলাদেশীয়ে বহিষ্কৃত হ'ব লাগিব বুলিও কয় ভট্টাচাৰ্যই। ইয়াৰ পূৰ্বে তেওঁ একেটা বিষয় সন্দৰ্ভত তেজপুৰৰ সাহিত্য সভা কাৰ্যালয়ৰ সভাগৃহত এখন সজাগতা সভাতো অংশগ্ৰহণ কৰে।

### এশ শতাংশ কাম সম্পূৰ্ণ কৰাৰ আহ্বান